**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-07-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংসদৰ এইবাৰৰ অধিৰেশনক দেশৰ বিজয় উৎসৱ বুলি অভিহিত কৰিছে।

২। লোকসভা আৰু ৰাজ্যসভাত আজি অপাৰেচন সিন্দূৰ সম্পৰ্কে আলোচনা হয়।

৩। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ পাঁচ বছৰ সম্পূৰ্ণ হোৱাৰ উপলক্ষে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত দেশজুৰি ধৰতী আবা জনজাতীয় গাঁও উৎকৰ্ষ অভিযানৰ অধীনত জনজাতীয় ছাত্ৰ-ছাত্ৰীৰ বাবে ছাত্ৰাবাস নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰা হয়।

***আৰু***

৪। মণিপুৰত ১৩ আগষ্টৰ পৰা কাৰ্য্যকৰী হোৱাকৈ ৰাষ্ট্ৰপতি শাসনৰ ম্যাদ বৃদ্ধিৰ সিদ্ধান্তক লৈ আলোচনাৰ বাবে কাৰ্য্যক্ৰমণিকা উপদেষ্টা সমিতিয়ে দুঘণ্টা সময় নিৰ্ধাৰণ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অপাৰেচন সিন্দূৰ আৰু অপাৰেচন মহাদেৱে সন্ত্ৰাসবাদীৰ কাপুৰুষালী প্ৰতিহত কৰাত উল্লেখযোগ্য ভূমিকা পালন কৰিছে বুলি মন্তব্য কৰিছে। গৃহ মন্ত্ৰী অমিত শ্বাহে লোকসভাত দুয়োটা অভিযানৰ সবিশেষ ব্যাখ্যা কৰাটো উল্লেখযোগ্য বক্তব্য বুলি প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্বেয়াৰ কৰিছে। শ্ৰীমোদীয়ে লগতে দেশৰ সুৰক্ষা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত গৃহ মন্ত্ৰীগৰাকীয়ে লোকসভাত চৰকাৰে চলোৱা প্ৰয়াস সন্দৰ্ভতো বিষয়টো উল্লেখ কৰে।

ooooo

লোকসভাত আজি অপাৰেচন সিন্দূৰ সম্পৰ্কে বিশেষ আলোচনা পুনৰ অনুষ্ঠিত হয়। আলোচনাত অংশগ্ৰহণ কৰি গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে অপাৰেচন মহাদেৱৰ জৰিয়তে কালি সেনা বাহিনী, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী- চি আৰ পি এফ আৰু জম্মু-কাশ্মীৰ আৰক্ষীয়ে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ সৈতে জড়িত তিনিজন সন্ত্ৰাসবাদীক নিহত কৰে। তেওঁ কয়, যে সন্ত্ৰাসবাদী কেইজনৰ পৰা পেহেলগাম আক্ৰমণত ব্যৱহাৰ কৰা তিনিটা ৰাইফল জব্দ কৰা হৈছে। ছুলেইমান শ্বাহ, জিবৰান আৰু হামজা আফগানি

নামৰ সন্ত্ৰাসবাদী তিনিজনক নিধন কৰা হৈছে বুলি গৃহমন্ত্ৰী শ্বাহে সদনক জনায়। তেওঁ কয়, যে পেহেলগাম আৰু গগনগিৰ সন্ত্ৰাসবাদী আক্ৰমণত জড়িত ছুলেইমান শ্বাহ দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী আছিল। চোৰাংচোৰা সংস্থাই ছুলেইমানৰ ভূমিকা সন্দৰ্ভত পৰ্যাপ্ত প্ৰমাণ লাভ কৰা বুলিও গৃহমন্ত্ৰী শ্বাহে প্ৰকাশ কৰে।

মন্ত্ৰীগৰাকীয়ে কয়, যে পেহেলগামত সন্ত্ৰাসবাদীয়ে পৰিয়ালৰ সন্মুখতে নিৰীহ পৰ্যটকক নৃশংসভাৱে হত্যা কৰিছিল। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দৃঢ় সংকল্পৰে ব্যৱস্থা গ্ৰহণ কৰে আৰু অপাৰেচন সিন্দূৰ চলোৱাৰ কৰ্তৃত্ব প্ৰদান কৰে। সুৰক্ষা বাহিনীসমূহক পেহেলগাম আক্ৰমণৰ সৈতে জড়িত সন্ত্ৰাসবাদীসকল যাতে কোনো কাৰণতে পলাই যাব নোৱাৰে, তাক নিশ্চিত কৰিবলৈ কোৱা হৈছিল বুলি তেওঁ মন্তব্য কৰে। দেশৰ সশস্ত্ৰ বাহিনীক অভিনন্দন জনাই  শ্ৰী শ্বাহে কয়, যে অপাৰেচন সিন্দূৰৰ সময়ত নিৰাপত্তা বাহিনীয়ে ভালেসংখ্যক সন্ত্ৰাসবাদীক  নিধন কৰে আৰু পাকিস্তানত থকা সন্ত্ৰাসবাদী শিবিৰ উৎখাট কৰে।

গৃহ মন্ত্ৰীগৰাকীয়ে কয়, যে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ তদন্ত হিচাপে তদন্তকাৰী দলে ভুক্তভোগীসকলৰ পৰিয়ালৰ সদস্য, পৰ্য্যটক, ভ্ৰমণ সঞ্চালক, ফটোগ্ৰাফাৰ আৰু স্থানীয় লোকক সোধা-পোছা কৰে। তেওঁ কয়, যে তদন্তকাৰী দলে এহেজাৰতকৈ অধিক ব্যক্তিক জেৰা কৰে আৰু তেওঁলোকৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত ৰেখাচিত্ৰ প্ৰস্তুত কৰে। ইয়াৰ পাছতে ২২ জুনত সন্ত্ৰাসবাদীক আশ্ৰয় দিয়া বচিৰ আৰু পাৰভেজ নামৰ দুজন ব্যক্তিক চিনাক্ত কৰা হয়।

তেওঁ কয়, যে সুৰক্ষা বাহিনীসমূহে অকল সন্ত্ৰাসবাদীক নিধন কৰাই নহয়, বৰং তেওঁলোকক প্ৰেৰণ কৰাসকলকো আক্ৰমণৰ লক্ষ্য কৰি লয়। মন্ত্ৰীগৰাকীয়ে কয়, যে যিদিনাখন লস্কৰ-এ-তৈয়বাই পেহেলগাম আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছিল, সেইদিনাখনে চৰকাৰে সশস্ত্ৰ বাহিনীসমূহক ন্যায় প্ৰদানৰ দায়িত্ব অৰ্পণ কৰিছিল। শ্ৰীশ্বাহে কয়, যে ৭ মে'ত সিন্দূৰ অভিযান আৰম্ভ কৰা হয় আৰু নিশা ১ বাজি ৪ মিনিটৰ পৰা ১ বাজি ২৪ মিনিটৰ ভিতৰত এই অভিযান ৰূপায়ণ কৰা হয়। অভিযানকালত পাকিস্তানত থকা সন্ত্ৰাসবাদীৰ ৯ টা ঘাটি সমুলি ধ্বংস কৰা হয় আৰু ১০০ৰো অধিক সন্ত্ৰাসবাদী নিহত হয় বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে এই আক্ৰমণত পাকিস্তানৰ কোনো অসামৰিক লোক নিহত হোৱা নাই। নৰেন্দ্ৰ মোদী চৰকাৰে সন্ত্ৰাসবাদৰ প্ৰতি শূণ্য সহনশীলতাৰ নীতি গ্ৰহণ কৰা বুলি শ্ৰীশ্বাহে প্ৰকাশ কৰে।

প্ৰাক্তন গৃহ মন্ত্ৰী পি চিদাম্বৰমক সমালোচনা কৰি শ্ৰীশ্বাহে কয়, যে তেওঁ সন্ত্ৰাসবাদী কেইজন যে পাকিস্তানৰ তাৰ প্ৰমাণ বিচাৰিছে আৰু পাকিস্তানক দোষমুক্ত উল্লেখ কৰিছে। অপাৰেচন সিন্দূৰে বিশ্ববাসীৰ সন্মুখত পাকিস্তানৰ স্বৰূপ উদঙাই দিয়া বুলি শ্ৰীশ্বাহে দাবী কৰে।  বিৰোধী পক্ষই সকলো বিষয়ক লৈ ৰাজনীতি কৰা বুলি অভিযোগ তুলি শ্ৰীশ্বাহে কয়, যে অপাৰেচন সিন্দূৰৰ সময়ত পাকিস্তানৰ মাৰণ ক্ষমতা বিনষ্ট হোৱা বাবেই দেশখন আত্ম সমৰ্পণ কৰিবলৈ বাধ্য হৈছিল। তেওঁ কয়, যে পাকিস্তানৰ সামৰিক অভিযানৰ সঞ্চালক প্ৰধানে ১০ মে'ত ভাৰতৰ সামৰিক অভিযানৰ সঞ্চালক প্ৰধানক ফোন কৰে আৰু ইয়াৰ পাছতে যুদ্ধ বিৰতি ঘোষণা কৰা হয়। আলোচনাত ভাগ লৈ ডি এম কেৰ কে কানিমোড়িয়ে কয়, যে শ্ৰীশ্বাহে বিৰোধী পক্ষক সমালোচনা কৰিছে আৰু ইয়াৰ পৰা তেওঁলোক কম দেশপ্ৰেমী যেন দেখুওৱা হৈছে যদিও ডি এম কেই কেতিয়াও দেশক নিৰাশ কৰা নাই। সমাজবাদী পাৰ্টীৰ অখিলেশ যাদৱে অপাৰেচন সিন্দূৰৰ সময়ত যুদ্ধ বিৰতি ঘোষণা কৰাক লৈ প্ৰশ্ন তোলে আৰু এই সিদ্ধান্তৰ সমালোচনা কৰি কিহৰ হেঁচাত যুদ্ধ বিৰতি ঘোষণা কৰা হৈছিল বুলি মন্তব্য কৰে। কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে সশস্ত্ৰ বাহিনীৰ ভূমিকাৰ প্ৰশংসা কৰে। তেওঁ ২২

এপ্ৰিলত পেহেলগামত সন্ত্ৰাসবাদী আক্ৰমণ কেনেকৈ সংঘটিত হ'বলৈ পালে বুলি প্ৰশ্ন উত্থাপন কৰে। চৰকাৰে জম্মু-কাশ্মীৰৰ সুৰক্ষা বৰ্তাই ৰখাত ব্যৰ্থ হোৱা বুলি কংগ্ৰেছ সাংসদগৰাকীয়ে অভিযোগ তোলে। আলোচনাত অংশ লৈ বিজেপিৰ নিশিকান্ত ডুবেই কয়, যে এন ডি এ চৰকাৰে প্ৰতিগৰাকী নাগৰিকক গুৰুত্ব দিয়ে আৰু কোনো সন্ত্ৰাসবাদীক ৰেহাই দিয়া নহ'ব। পাকিস্তান অধিকৃত কাশ্মীৰ ভাৰতৰ অংশ হ'ব বুলি তেওঁ আস্থা প্ৰকাশ কৰে।

ooooo

পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰত ভাৰতে চলোৱা শক্তিশালী, সফল আৰু নিৰ্ণায়ক অপাৰেচন সিন্দূৰ সন্দৰ্ভত আজি ৰাজ্যসভাত বিশেষ আলোচনা অনুষ্ঠিত হয়। আলোচনাৰ পাতনি মেলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ সময়ত ২৬ গৰাকী নিৰীহ লোকক বৰ্বৰভাৱে হত্যা কৰা তিনিজন সন্ত্ৰাসবাদীক নিধন কৰাৰ বাবে স্থল সেনা বাহিনী আৰু সুৰক্ষা বাহিনীসমূহক অভিনন্দন জনায়। মন্ত্ৰীগৰাকীয়ে কয়, যে সন্ত্ৰাসবাদীৰ ঘাটিসমূহ ধ্বংস কৰা আৰু ভাৰতে সন্ত্ৰাসবাদৰ প্ৰতি শূণ্য সহনশীলতাৰ নীতি গ্ৰহণ কৰাৰ স্পষ্ট বাৰ্তা প্ৰেৰণ কৰাই অপাৰেচন সিন্দূৰৰ মূল উদ্দেশ্য আছিল। দেশৰ ভৱিষ্যৎ গঢ় দিয়াৰ ক্ষেত্ৰত অপাৰেচন সিন্দূৰৰ ভূমিকা গুৰুত্বপূৰ্ণ বুলি শ্ৰীসিঙে মন্তব্য কৰে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে সন্ত্ৰাসবাদীসকলে ভাৰতক সহজ লক্ষ্য বুলি গণ্য কৰিছিল যদিও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত নিৰ্দোষী লোকৰ প্ৰাণ কাঢ়ি ল'লে সন্ত্ৰাসবাদীৰ ঘাটি ধ্বংস কৰা হ'ব বুলি এটা কঠোৰ বাৰ্তা প্ৰেৰণ কৰা হৈছে। দেশৰ সশস্ত্ৰ বাহিনীসমূহে পেহেলগামত সন্ত্ৰাসবাদীৰ ওপৰত হোৱা আক্ৰমণৰ প্ৰতিশোধ লৈ পাকিস্তানক যোগ্য প্ৰত্যুত্তৰ দিয়া আৰু ১০০ ৰো অধিক সন্ত্ৰাসবাদী নিধন কৰা বুলি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে যদিহে পাকিস্তানে ভৱিষ্যতে কোনো দুঃসাহস কৰে, তেন্তে ভাৰতে পুনৰ অপাৰেচন সিন্দূৰ চলাবলৈ কুণ্ঠাবোধ নকৰে। ভাৰতে পাকিস্তানৰ পাৰমাণৱিক ভীতি প্ৰদৰ্শন আৰু অন্য ৰণ কৌশলক লৈ সেও নামানে বুলি তেওঁ দৃঢ়তাৰে প্ৰকাশ কৰে। প্ৰতিৰক্ষা আহিলা-পাতিৰ ৰপ্তানি সন্দৰ্ভত মত প্ৰকাশ কৰি শ্ৰীসিঙে কয়, যে ভাৰতত নিৰ্মিত প্ৰতিৰক্ষা আহিলা-পাতি চলিত বৰ্ষত প্ৰায় ১০০ খন দেশলৈ ৰপ্তানি কৰা হৈছে আৰু এনে ৰপ্তানিৰ পৰিমাণে ৩০ হাজাৰ কোটি টকা স্পৰ্শ কৰিছে। ২০২৯ চনৰ ভিতৰত প্ৰতিৰক্ষা ৰপ্তানিৰ পৰিমাণ ৫০ হাজাৰ কোটি টকালৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

আলোচনাত অংশগ্ৰহণ কৰি ৰাজ্যসভাত বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গেই অপাৰেচন সিন্দূৰৰ সময়ত যুদ্ধবিৰতি ঘোষণা কৰাৰ বাবে চৰকাৰক প্ৰশ্ন কৰে। চোৰাংচোৱাৰ ক্ষেত্ৰত চৰকাৰ ব্যৰ্থ হোৱা বুলি অভিযোগ তুলি শ্ৰীখাৰ্গেই কয়, যে উড়ি, পুলৱামা আৰু পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পৰা চোৰাংচোৱাৰ ব্যৰ্থতা স্পষ্ট হৈ পৰিছে। তেওঁ কয়, যে কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰা উচিত। খাৰ্গেৰ অভিযোগৰ প্ৰত্যুত্তৰত প্ৰতিৰক্ষা মন্ত্ৰী সিঙে কয়, যে চৰকাৰে কোনো ধৰণৰ হেঁচাৰ বশৱৰ্তী হৈ যুদ্ধ বিৰতি ঘোষণা কৰা নাছিল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাজত কোনো আলোচনা হোৱা নাছিল। ডি এম কেৰ সাংসদ তিৰুচী শিৱাই চৰকাৰে অপাৰেচন সিন্দূৰ সন্দৰ্ভত বিৰোধী পক্ষই সোধা প্ৰশ্নৰ উত্তৰ নিদিয়া বুলি অভিযোগ উত্থাপন কৰে। বিষয়টো লৈ সংসদৰ বিশেষ অধিৱেশন আহ্বান কৰাৰ বাবে জনোৱা দাবীও চৰকাৰে গ্ৰহণ কৰা নাই বুলি তেওঁ মন্তব্য কৰে। তৃণমূল

কংগ্ৰেছৰ সাংসদ সাগৰিকা ঘোষেও আলোচনাত ভাগ লয়। আমালৈ বাতৰি অহাৰ পৰলৈকে আলোচনা চলি আছিল।

০০০০০

মণিপুৰত ১৩ আগষ্টৰ পৰা কাৰ্য্যকৰী হোৱাকৈ ৰাষ্ট্ৰপতি শাসনৰ ম্যাদ বৃদ্ধিৰ সিদ্ধান্তক লৈ আলোচনাৰ বাবে কাৰ্য্যক্ৰমণিকা উপদেষ্টা সমিতিয়ে দুঘণ্টা সময় নিৰ্ধাৰণ কৰিছে। ৰাজ্য সভাৰ উপ-সভাপতি হৰিবংশে আজি ৰাজ্য সভাত এই কথা ঘোষণা কৰে। মণিপুৰত ৰাষ্ট্ৰপতি শাসনৰ ম্যাদ পুনৰ বৃদ্ধি কৰাৰ বাবে গৃহ মন্ত্ৰী অমিত শ্বাহে সংসদৰ চলিত বৰ্ষাকালীন অধিৱেশনৰ সময়ত ৰাজ্য সভাত এটা প্ৰস্তাৱ দাখিল কৰিব। মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেণ সিঙে পদত্যাগ কৰাৰ পাছত ৰাজ্যখনত চলিত বৰ্ষৰ ১৩ ফেব্ৰুৱাৰীৰ পৰা ৰাষ্ট্ৰপতি শাসন বলবৎ কৰা হয়।

০০০০০

সমাপ্ত